# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৫২/২০২০

## বিশিষ্ট ৰাজনীতিবিদ, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

### ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৪ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট ৰাজনীতিবিদ, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন আইন মন্ত্ৰী তথা শিৱসাগৰ বিধান সভা সমষ্টিৰ বিধায়ক প্ৰণৱ গগৈৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত প্ৰণৱ গগৈয়ে আমাৰ ৰাজনৈতিক, সমাজিক আৰু সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী সৎ, নিষ্ঠাৱান আৰু উচ্চ মানসিকতাৰ ব্যক্তি হিচাপে পৰিচিত প্ৰয়াত প্ৰণৱ গগৈয়ে অসম আৰু খিলঞ্জীয়াৰ হকে সদায়ে মাত মাতি আহিছিল। তদুপৰি বিধান সভাৰ অধ্যক্ষ হিচাপে সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ দিশটো তেখেতে অনৱদ্য অৰিহণা আগবঢ়াই গৈছে। ৰাজনীতিৰ সমান্তৰালকৈ প্ৰয়াত প্ৰণৱ গগৈয়ে বিভিন্ন সামাজিক-অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সমাজলৈ সেৱা আগবঢ়াই গৈছে। তেওঁ বহু বছৰ ধৰি শ্ৰমিক সংগঠনৰ নেতৃত্ব বহন কৰি এগৰাকী আদৰ্শবাদী নেতা হিচাপে পৰিগণিত হৈছিল। ঐতিহাসিক শিৱসাগৰ চহৰক পৰ্যটনৰ মান চিত্ৰত সজোৰে উত্থাপন কৰাৰ দিশটো তেওঁ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰণৱ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্য সচিবক মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে নিৰ্দেশ দিছে।

**পুঃডেঃ / বঃভাঃ**
**৪/০২/২০২০**